# ॥ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা ॥

**কমললোচন দাস**
দ্বিতীয় বাৰ্ষিক বিজ্ঞান

"এটা জাতিৰ লগত আন এটা জাতিৰ সমন্বয় হবলৈ হলে পৰস্পৰৰ ভিতৰত উভয়ৰ বিষয়ে সম্পূৰ্ণ জ্ঞান থকা উচিত। নিজৰ ধৰ্ম্ম, কৃষ্টি, সমাজ আৰু সংস্কৃতিৰ বিষয়ে গভীৰ জ্ঞান থকা উচিত ।"—ৰাভা ।

একেবাহে সুৰস্ৰষ্টা, চিত্ৰশিল্পী, নাট্যকাৰ, অভিনেতা, নৃত্যশিল্পী, সংগীতজ্ঞ—বিষ্ণুৰাভা এজন বহু গুণসম্পন্ন শিল্পীয়েই নহয় তেওঁ এজন প্ৰগতিবাদী ৰাজনৈতিক কৰ্ম্মী আৰু সৰ্ব্বহাৰা জনতাৰ প্ৰতীক। হাততে পোৱা সুখ সম্পদ সকলোবোৰ নেওচি তেওঁ বিচাৰি ললে সৰ্ব্বহাৰা জনতাৰ অন্তৰৰ মৰমখিনি—তেওঁলোকৰ সমাজ আৰু সংস্কৃতিৰ এজন চিৰজাগ্ৰত প্ৰহৰী হিচাপে ।

কালৰ বুকুত লীন হৈ যাব খোজা অসমৰ আপুৰুগীয়া সংস্কৃতিৰ সমল বিচাৰি আৰম্ভ কৰিলে অসমৰ গাঁও-ভূঁই, সত্ৰ, নামঘৰৰ সাংস্কৃতিক অধ্যয়ণ। ফলত তেওঁ নিজেই এটা অনুষ্ঠান হৈ পৰিল। অসমীয়া নৃত্য, গীত, নাট, কৱিতা, প্ৰৱন্ধ, ৰাজনীতি আদি সকলোকে তেওঁৰ প্ৰতিভাই পোহৰ কৰি গ'ল।

যি জনাৰ অকৃত্ৰিম সংস্কৃতি সাধনাই তেওঁৰ মৰমৰ ৰাইজৰ স্বীকৃতি হিচাপে "কলাগুৰু"ৰ মুকুট মূৰত পিন্ধাই দিলে, যিজনৰ গীত মাত, অভিনয় আৰু চিন্তা দৰ্শনৰ মাজত জনতাই নিজৰ প্ৰতিচ্ছবি দেখা পাই তেওঁক জনতাৰ মানুহ বুলি আকোৱালি ললে—সেইজনা ৰাভাৰ বহুমুখী কাম-কাজবোৰ তেওঁৰ অবিহনে হয়তো আধৰুৱা হৈ ৰব ।

বিষ্ণুৰাভাই ঢাকাত দেউতাকৰ লগত থাকোতেই সৈনিকসকলৰ বাদ্যযন্ত্ৰ, বিউগল, বেণ্ড পাইপ শুনি ৰাভাৰ অন্তৰত জাগি উঠিছিল সংগীত সাধনাৰ অদম্য হেপাহ। ঢাকাত তেওঁ কালাচান্দাৰ অধীনত নৃত্য শিক্ষা লৈছিল । প্ৰাচীন কামৰূপ নৃত্য সংঘৰ যোগদি ৰাভাই অসমৰ বহুত ঠাইত ঘূৰি অসমৰ নামঘৰ,-সত্ৰ, মন্দিৰৰপৰা আপুৰুগীয়া সংস্কৃতিৰ সম্ভাৰবিলাক ৰাইজৰ আগত দাঙি ধৰিবলৈ সক্ষম হৈছিল । তেওঁৰ সহায়তে পৌৰাণিক সত্ৰীয়া নাচ উদ্ধাৰ কৰি এই অনুষ্ঠানে অসমৰ নৃত্যত এটা নতুন অধ্যায়ৰ সৃষ্টি কৰিছিল।

সাহিত্যৰ ক্ষেত্ৰত ৰাভাৰ মৌলিক লিখা বেচি প্ৰকাশিত নহলেও যি কেইখন কিতাপ, যি কেইটা প্ৰৱন্ধ প্ৰকাশ পাইছে সি অসমীয়া ভাষাৰ কাৰণে আপুৰুগীয়া সম্পদ । ১৯৪০ চনত "বাঁহী"ত প্ৰকাশ হোৱা তেওঁৰ "বৃহত্তৰ অসমৰ পৰিকল্পনা" নামৰ প্ৰবন্ধই অসমীয়া সমাজক পুৰণি অসমৰ সাংস্কৃতিক মানচিত্ৰ ৰচনা কৰি অসমীয়া সাংস্কৃতিক মানসত আলোড়নৰ সৃষ্টি কৰিছিল । বাঁহীৰ "চিত্ৰলেখা" নামৰ এটি মূল্যবান শিতান তেৱেঁই পৰিচালনা কৰিছিল। "আৱাহনত" প্ৰকাশ হোৱা তেওঁৰ "সঙ্গীত" আৰু "শ্ৰীশ্ৰী শঙ্কৰদেৱৰ গায়ন" শীৰ্ষক প্ৰৱন্ধ উল্লেখযোগ্য। উক্ত প্ৰবন্ধত তেওঁ মহাপুৰুষ শঙ্কৰদেৱৰ গীত ৰাগবোৰৰ নিখুঁত আলোচনা কৰিছে। বড়িয়াৰ কণিহাত আৰু ৰহাৰ সভাত সভাপতিত্ব কৰি বিষ্ণুৰাভাই "অসমীয়া কৃষ্টিৰ চমু আভাস" আৰু "অসমীয়া কৃষ্টি" নামৰে যি

দুখন অভিভাষণ পাঠ কৰিলে, অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰত ৰাভাৰ অগাধ পাণ্ডিত্য আৰু জ্ঞানৰ পৰিচয় তাত ফৰিং ফুটা। "অসমীয়া কৃষ্টিৰ চমু আভাস" নামৰ অভিভাষণৰ জৰিয়তে ৰাভাই বিহুৰ আঁতিগুৰি, চিত্ৰ, আলেখ্য, বয়ন শিল্প, স্থাপত্য কলা, ৰূপ সজ্জা, মন্ত্ৰ সাহিত্য, ভাওনা, ওজাপালি আদি নানান কথাৰ আভাস চমুকৈ হলেও দাঙি ধৰিছে। ৰাভাৰ "মুক্তি দেউল," "জীৱন নদীৰ সিপাৰে," "গল্প সঙ্কলন" আদি ৰচনাবোৰ ছপা হৈছে। আজিও ৰাভাৰ "মকি বুৰঞ্জী", "দিমাছা," "কছাৰীৰ বুৰঞ্জী," "সীমান্ত সৈনিক" "বড়ো জাতিৰ ইতিহাস," "ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে" আদি ৰচনাবোৰৰ কিছুমান সম্পূৰ্ণভাৱে আৰু কিছুমান অসম্পূৰ্ণভাবে লিখা অৱস্থাতে আধৰুৱা হৈ ৰ'ল।

শেষত হেম বৰুৱাৰ ভাষাৰে কবলৈ গলে—"ৰাভা আজি আমাৰ মাজত নাই। ৰাভাই সিঁচি থৈ যোৱা পোহৰ অবিনশ্বৰ, অপৰাজেয়। পোহৰৰ মৃত্যু নাই। ৰাভা আজি জ্যোতিৰ দেশত।"

# দক্ষিণ-পূব এচিয়াত ভাৰতীয় সংস্কৃতি

**নাৰায়ণ চন্দ্ৰ কলিতা**
তৃতীয় বাৰ্ষিক কলা

সম্ভবতঃ খৃষ্ট জন্ম হোৱাৰ আগতেই ভাৰতীয় শিল্পকলা আৰু দাৰ্শনিক চিন্তাধাৰা পৃথিবীৰ নানান ঠাইত বিয়পি পৰিছিল। ভাৰতীয় সংস্কৃতি দক্ষিণ-পূব এচিয়াত বিয়পোৱা কাৰ্য্যত আমাৰ দেশীয় বণিক শ্ৰেণীয়ে যথেষ্ট অৰিহণা আগবঢ়াইছিল। ভাৰতীয় মানুহে অতি প্ৰাচীন কালতেই ভাৰত মহাসাগৰেৰে দক্ষিণ-পূব এচিয়াৰ দ্বীপ-উপদ্বীপবোৰত বাণিজ্য কৰাৰ বিৱৰণ বৈদিক সাহিত্য, সোমদেৱৰ 'কথা সৰিৎ সাগৰ'', প্ৰাচীন ভাৰতৰ গল্প সাহিত্যৰ ভঁৰাল—'বৃহৎকথা আৰু বৌদ্ধ সাহিত্যৰ জাতকৰ গল্পবোৰত উল্লেখ আছে। 'এচিয় সংস্কৃতি' ভাৰতীয় অৱদানেৰে সংঠিত হোৱা বুলি কব পাৰি। কিয়নো ভাৰতৰ ধৰ্ম্ম, ভাষা, সাহিত্য, ভাস্কৰ্য্য স্থাপত্যবিদ্যা, সামাজিক ৰীতি-নীতি আৰু ৰাজতন্ত্ৰ ইত্যাদি সকলোকে কিঞ্চিত এবা-ধৰাকৈ সমগ্ৰ এচিয়াবাসীয়ে গ্ৰহণ কৰিছিল।

এচিয়াৰ দক্ষিণ পূবত অৱস্থিত দ্বীপ—যেনে মালয় উপদ্বীপ, সুমাত্ৰা, বৰ্ণিও, জাভা, বালিৰ সমতল আৰু পৰ্ব্বতবোৰ অসংখ্য মূল্যবান প্ৰাকৃতিক সম্পদৰে ভৰপূৰ আছিল। ইয়াৰ উপৰিও উক্ত দ্বীপবোৰত বিভিন্ন ধাতৰ পদাৰ্থ, মছলা, জলকীয়া নাৰিকল, কৰ্পূৰ, তাম, অগৰু, চন্দন, সোণ ইত্যাদিৰ আমদানি আছিল। আৰু এই দ্বীপ-উপদ্বীপবোৰৰ সমষ্টিকে 'সুবৰ্ণভূমি' বা 'স্বৰ্ণদেশ' বোলা হয়। দক্ষিণ-পূৱত অৱস্থিত দ্বীপাঞ্চলক ৰামায়ণ মহাকাব্যতো 'স্বৰ্ণদেশ' বুলি বৰ্ণোৱা হৈছে। ভাৰতীয় বণিক সকলেও খুব সম্ভৱ এই দ্বীপবোৰৰ সম্পদৰ প্ৰাচুৰ্য্যতা অনুসৰি কৰ্পূৰদ্বীপ ( Camphor island ) নাৰিকলদ্বীপ (Coconut island) তাম্ৰদ্বীপ ( Copper island ) শঙ্খদ্বীপ ( Conch island ) আদি নামেৰে অভিহিত কৰিছিল। সুদীৰ্ঘ সমুদ্ৰপথ অতিক্ৰম কৰি ধন-সম্পদৰ অন্বেষণত ভাৰতীয় বণিক

সকলে সুদূৰ প্ৰাচ্যৰ সেই দ্বীপবোৰত ঘৰ পাতিছিল। ইয়াৰ উপৰিও ভাৰতীয় বণিক সকলে তাৰ স্থানীয় পৰিয়ালত বিবাহ আদি কৰিছিল। আনকি কিছুমান ভাৰতৰ তলতীয়া ৰজাই অসন্তুষ্ট হৈ নতুবা কোনো প্ৰতাপী ৰজাৰ ভয়ত নিজৰ প্ৰাণ ৰক্ষাৰ হেতু পলাইগৈ লাওচ, আৰাকাণ, ব্ৰহ্মদেশৰ নামনি অঞ্চল, মালয় উপদ্বীপ, চিয়াম, কম্বোদিয়া, কোচিন-চীন, আন্নাম, সুমাত্ৰা (দ্বীপ) বালি (দ্বীপ), জাভা (দ্বীপ) আৰু বৰ্ণিও (দ্বীপ) আদিত বসতি কৰিছিল । তাৰে কোনো কোনোৱে আকৌ ৰাজ্য স্থাপন কৰি ৰজা হোৱাৰ প্ৰমাণ পোৱা যায়। উদাহৰণ স্বৰূপে ৰজা অশোকৰ বংশৰ কোনো লোকে মগধ ৰাজ্যৰপৰা পলাই গৈ মালয় উপদ্বীপত আধিপত্য বিস্তাৰ কৰাৰ প্ৰমাণ পাওঁ। জাভাৰ ঐতিহাসিক ঘটনাসমূহেও কলিঙ্গৰ হিন্দুসকলে উক্ত দ্বীপবোৰত বসতি কৰাৰ আভাস দিয়া দেখা যায়। আকৌ আৰাকাণ জিলাৰ প্ৰথম ৰজাজন বাৰানসীৰ এজন হিন্দু ৰজাৰ পুত্ৰ আছিল বুলি আৰাকাণৰ অতীত ইতিহাসত বৰ্ণোৱা আছে ।

খৃষ্টিয় প্ৰথম শতিকাত কৌণ্দিন্য নামৰ এজন ভাৰতীয় ব্ৰাহ্মণে কম্বোদিয়াত ফুনান নামৰ প্ৰথম হিন্দু ৰাজ্য স্থাপন কৰে। ফুনানৰ স্থানীয় মানুহবোৰ বৰ হিংস্ৰ আৰু অসভ্য আছিল । কিন্তু ৰজা কৌণ্দিন্যই তেওঁৰ শাসনৰ দ্বাৰাই ভাৰতীয় জীৱন নিৰ্ব্বাহৰ ৰীতি নীতি আৰু ব্যৱহাৰ শিকাই ফুনান বাসীক সভ্যতাৰ পোহৰ দেখুৱাইছিল । কৌণ্দিন্য বংশৰ ৰাজত্বকালত ফুনান সম্পূৰ্ণসভ্য হোৱা বুলি কোৱা হয়। শৈৱ, বৈষ্ণৱ আৰু বৌদ্ধ এই তিনিওটা ধৰ্ম্মই কম্বোদিয়া বাসীৰ ধৰ্ম্ম আছিল। কিন্তু হৰিহৰৰ স্থান কম্বোদিয়াত অলপ উচচ খাপৰ আছিল, কিন্তু বৌদ্ধ ধৰ্ম্মী লোকো তাত নোহোৱা নহয়। । কম্বোদিয়াত শিৱ, বিষ্ণু, গণপতি আৰু পাৰ্ব্বতীৰ মন্দিৰ আছে ।

দক্ষিণ-পূৰ এচিয়াৰ কোনো কোনো অঞ্চলত সামাজিক ৰীতি-নীতি ভাৰতীয় সমাজ প্ৰথাৰ দৰে একে। সমাজত শ্ৰেণী বিভাজন আৰু সতীযোৱা প্ৰথাও আছিল। উদাহৰণ স্বৰূপে চম্পাৰ ৰজা তৃতীয় হৰিবৰ্ম্মণৰ মৃত্যুত তেওঁৰ চাৰিওজনী ৰাণীয়ে সতীযোৱা বুলি কোৱা হৈছে। বালি দ্বীপত আজিও জাতিভেদৰ প্ৰচলন আছে । বৰ্ণিওৰ কোণবেঙত এটা কৰ্ণাৰ মন্দিৰ আৰু লগতে শিৱ আৰু বুদ্ধৰ মূৰ্ত্তি কিছুমান ওলাইছে। এইবোৰ ৪ৰ্থ শতিকাৰ বুলি অনুমান কৰা হৈছে ।

আঙ্কোৰ ওৱাটত থকা বিষ্ণু মন্দিৰৰ কাৰুকাৰ্য্য ভাৰতীয় ভাস্কৰ্য্য আৰু শিল্প বিদ্যাৰ নিদৰ্শন। এই মন্দিৰৰ গাত ৰামায়ণ, মহাভাৰত আৰু হৰিবংশৰ ঘটনাসমূহ অসংখ্য ভাস্কৰ্য্য চিত্ৰৰে বৰ্ণোৱা হৈছে। এই গেলাৰি বিলিফবোৰ সম্বন্ধে আনন্দ কুমাৰ স্বামীয়ে এইদৰে লিখিছে—

"In these gallery reliefs are combined a superb vitality and complete preoccupation with rhe heroic themes as correlated and inseperable conditions, thc Ankor vat reliefs are thus spiritually greater than those Barobudur. The planning is spacious and generous to a degree ; everything is on a huge scale and all in proportion."

চম্পাৰ অধিবাসীসকলে শিৱক প্ৰধান দেৱতা ৰূপে পূজা কৰিছিল । তেওঁলোকে শিৱক ভদ্ৰেশ্বৰ, শঙ্কৰনাৰায়ণ, নটৰাজ আৰু লিঙ্গ ৰূপেও পূজা কৰে। বৈষ্ণৱ আৰু বৌদ্ধ ধৰ্ম্মৰো তেওঁলোক পৃষ্ঠপোষক ।

জাভা দ্বীপত ভাৰতীয় শিল্প কলা আৰু ভাষা সাহিত্যৰ প্ৰভাৱ মনকৰিবলগীয়া। প্ৰায় এশমান মন্দিৰৰ ভগ্নাৱশেষ আৰু লগতে সংস্কৃত ভাষাত লিখা কিছুমান সাঁচিপাতৰ পুথি পোৱা গৈছে। ৰামায়ণ আৰু মহাভাৰত তেওঁলোকৰ প্ৰিয় গ্ৰন্থ ।

অশোকে বৌদ্ধ ধৰ্ম্ম প্ৰচাৰৰ বাবে পশ্চিম এচিয়া, উত্তৰ আফ্ৰিকা আৰু দক্ষিণ-পূৰ ইউৰোপলৈ পঠোৱা বৌদ্ধ ভিক্ষুসকলে অকল যে ধৰ্ম্ম প্ৰচাৰেই কৰিছিল এনে নহয় , তেওঁলোকে সেই সময়ৰ ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ বিষয়েও উক্ত দেশৰ মানুহক পৰ্য্যমানে আভাস দিছিল। মৌৰ্য্যসকলৰ ৰাজত্ব কালত আফগানিস্থানেৰে ভাৰতীয় সভ্যতা সংস্কৃতি সুদূৰ মধ্য-এচিয়াত-বিয়পি পৰিছিল । ২য় শতিকাত বহুতো ভাৰতীয় মানুহ পাঞ্জাৱ আৰু কাশ্মীৰৰপৰা উঠি গৈ সেই অঞ্চলত নিগাজিকৈ বসতি কৰিবলৈ লৈছিল। সেই সময় চোৱাত বামিয়ান, ব্ৰেকট্ৰীয়া, খোটান, কাচগৰ, কুচা, মিৰাণ আৰু তাৰফান হিন্দু সংস্কৃতিৰ প্ৰধান কেন্দ্ৰ স্বৰূপ আছিল।

গোমাতি বিহাৰ বিশ্ববিদ্যালয় মহাজান পন্থী বৌদ্ধ সকলৰ শিক্ষাৰ প্ৰধান কেন্দ্ৰ আছিল। এচিয়াৰ বহুতো পণ্ডিত এই বিশ্ববিদ্যালয়ৰ লগত জড়িত আছিল। সপ্তম শতিকাত মধ্য এচিয়াত বৌদ্ধ ধৰ্ম্ম আৰু ভাৰতীয় সভ্যতাৰ প্ৰভাৱৰ কথা হিউয়েন চাঙে উল্লেখ কৰিছে।

ভাৰতৰ পূব প্ৰান্তত থকা সভ্যদেশ চীন আৰু ভাৰতৰ মাজত বাণিজ্য প্ৰথা থকা বুলি কৌটিল্যৰ অৰ্থশাস্ত্ৰই উল্লেখ কৰিছে। আনকি মহাকাব্যৰ যুগতো চীন ভাৰতৰ মাজত মিলা প্ৰীতি আছিল। উদাহৰণ স্বৰূপে ভাৰতৰ পূৰ্ব্বাঞ্চলৰ ৰজা ভগদত্তই চীনৰ লগত লগ লাগি কুৰুক্ষেত্ৰৰ যুদ্ধত পাণ্ডৱৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। খৃষ্টিয় প্ৰথম শতিকাত চীনৰ হান বংশী ৰজা মিঙ্গ টিৰ ( Ming-ti ) অনুৰোধক্ৰমে কাশ্যপ মাতঙ্গ আৰু ধৰ্ম্মৰাক্ষ ( Dharmaraksha) নামৰ দুজন বৌদ্ধ পণ্ডিত চীন দেশলৈ যায়। মাতঙ্গ আৰু ধৰ্ম্মৰাক্ষই চীন দেশলৈ যাওঁতে লগত কিছুমান বৌদ্ধ পুথি উপহাৰ স্বৰূপে নিছিল। ৰজা মিঙ্গটিয়ে পণ্ডিতদ্বয়ক উপযুক্ত সন্মান দিয়ে আৰু তেওঁলোকৰ ওচৰত বৌদ্ধ ধৰ্ম্ম গ্ৰহণ কৰে। পিচত মিঙ্গটিয়ে বৌদ্ধ ধৰ্ম্মৰ ৰক্ষণা বেক্ষণৰ বাবে এটা মন্দিৰ সজাইছিল আৰু এই মন্দিৰ টোৱেই চীনদেশৰ প্ৰথম বৌদ্ধ মন্দিৰ। অতি কম সময়ৰ ভিতৰত মিঙ্গটিৰ প্ৰজাৰ বৌদ্ধ ধৰ্ম্মৰ প্ৰতি আস্থা বাঢ়িল। এনেদৰে চীনত ৰৌদ্ধৰ্ম্মই শিপা মেলিলে। সেই সময়ৰ বহুতো চীন দেশীয় বৌদ্ধ ভক্তই বৌদ্ধৰ জন্মস্থান আদি পৰিভ্ৰমণ কৰি পোণপটিয়াকৈ বৌদ্ধ ধৰ্ম্ম দৰ্শনৰ সম্ভেদ লৈছিল। আনহাতে বহুসংখ্যক ভাৰতীয় পণ্ডিতে চীন দেশত থাকি তাৰ প্ৰজাবৰ্গক বৌদ্ধ ধৰ্ম্ম লোৱাত সহায় কৰিছিল।

চমুকৈ কবলৈ হলে সেইসময়ত ভাৰতীয় ধৰ্ম্ম ভাষা, সংস্কৃতি আদিয়ে চীনবাসীক সামাজিক আৰু ধৰ্ম্মবিষয়ত সামান্যতম ভাবে হলেও বেখা পাত যে কৰিছিল তাত কোনো সন্দেহ নাই।

ভাৰতীয় মঠ মন্দিৰৰ লগত চীনদেশৰ মঠ মন্দিৰৰ সাদৃশ্য থকা বুলি এচ নটৰাজনে এইদৰে কৈছে। "The pagoda type of temple which is quite common in China is of Indian origin; Chinese painting, music and dancing astronomy and astrology also were influenced by Indian cultural traditions"

ভাৰতৰ একেবাৰে চুবুৰীয়া আনখন দেশ হল ব্ৰহ্মদেশ। ব্ৰহ্মদেশত অতি প্ৰাচীন কালতেই ভাৰতীয় সংস্কৃতিৰ প্ৰভাৱ পৰিছিল। অশোকে বৌদ্ধ ধৰ্ম্ম প্ৰচাৰৰ উদ্দেশ্যে চনা আৰু উত্তৰা নামে দুজন বৌদ্ধ প্ৰচাৰকক ব্ৰহ্মদেশলৈ পঠিয়াইছিল। ইয়াৰ উপৰিও উত্তৰ আৰু দক্ষিণ ভাৰতৰ বহুসংখ্যক মানুহ ব্ৰহ্মদেশলৈ গৈ ইৰাৱতীৰ মধ্য ভাগত বসতি কৰিবলৈ লয়। গৌতম বুদ্ধৰ জন্ম হোৱাৰ আগতে শাক্য বংশৰ এজন প্ৰধান পুৰুষে সৈন্য সামন্তৰে ব্ৰহ্মদেশলৈ গৈ ইৰাৱতীৰ মধ্যভাগত ৰাজ্য শাসন কৰাৰ প্ৰমাণ ব্ৰহ্মদেশৰ অতীত ইতিহাসত বৰ্ণনা কৰা হৈছে।

ভাৰতীয় লোকে বসতি কৰা ঠাইবোৰ হ'ল ক্ৰমে হস্তীনাপুৰ, শ্ৰীক্ষেত্ৰ (বৰ্ত্তমান প্ৰম), বিষ্ণুপুৰ (ব্ৰহ্মদেশৰ মধ্যভাগ) আৰু চুধামাৱতী (থাটন)। এই অঞ্চলবোৰত তেতিয়া ঘাইকৈ শৈৱ, বৈষ্ণৱ আৰু বৌদ্ধ ধৰ্ম্মৰ প্ৰভাৱ অতি প্ৰখৰ আছিল। অনাৱ্ৰত ৰজাৰ ৰাজত্ব কালত (১১ শতিকা) ব্ৰহ্মদেশত বহুতো মন্দিৰ সজোৱা হৈছিল। তাৰ ভিতৰত সবাতোকৈ শ্ৰেষ্ঠ হ'ল আনন্দ মন্দিৰ। এই মন্দিৰৰ নিৰ্ম্মাণ প্ৰণালী আৰু ভাস্কৰ্য্য শিল্প হ'ল ভাৰতীয়। বৰ্ত্তমান যুগতো ব্ৰহ্মদেশৰ মানুহৰ বৌদ্ধ ধৰ্ম্ম আৰু ভাৰতীয় সংস্কৃতিৰ প্ৰতি যথেষ্ট অনুৰাগ থকা দেখা যায়।

এনেদৰে আমাৰ পূৰ্ব্বপুৰুষসকলে ভাৰত উপমহাদেশৰ ধৰ্ম্ম ভাষা, সংস্কৃতি, ৰাজতন্ত্ৰ আদিৰ দ্বাৰা সমগ্ৰ দক্ষিণ পূব-এচিয়াৰ অধিবাসীসকলক অনুপ্ৰাণিত কৰাৰ ফলত সমগ্ৰ এচিয়া বাসীৰ এটা মহৎ উদ্দেশ্য সাধন কৰাত সহায়তা কৰিছিল সেয়ে আছিল—'এচিয় ঐক্য'।

# কবিতা

## মোৰ স্বপ্ন

অধ্যাপক নলিনীধৰ ভট্টাচাৰ্য্য

মোৰ স্বপ্ন এটা সোণালী নক্ষত্ৰ
জ্বলে আৰু মৰে

সেই নক্ষত্ৰৰ পাখিত লাগি আছে
মোৰ আৰু তোমালোকৰ আশা
আৰু তাত লুকাই আছে প্ৰচণ্ড ধুমুহাৰ বীজ

এই নক্ষত্ৰৰ সতে তোমালোকৰ ছিন্ন আলিঙ্গন
তাৰ উত্তপ্ত চুম্বন আজি স্মৃতি

এতিয়া মোৰ নিৰৱ চকুলোৱে
বিচাৰি ফুৰিছে তোমালোকৰ চকু

তোমালোকৰ সমুখত
এমুঠি হাতৰ উদ্ধত ফণাৰ ভয়ত
পৃথিৱী আৰু সাগৰ

চকুলোৰে সেমেকা তোমালোকৰ চকুৰ আলিবাটত
দূৰৰ সোণালী নক্ষত্ৰৰ ভগা পাখি

# চ্যুত এটি স্বপ্ন

**দিলীপ দত্তবৰুৱা**
দ্বিতীয় বাৰ্ষিক বিজ্ঞান

খিৰিকী মুখত বহি আছিলোঁ ।
তন্দ্ৰা অলস দৃষ্টি,
সমুখত মেঘে ঢকা আকাশ ।

আন্ধাৰ ।
আবেগময় ৰহস্যৰ বুকুত
ডুব গৈছিল মোৰ মন ।

হঠাৎ আন্ধাৰৰ মাজেৰে
উৰি আহিল এটা পোহৰ,
এটা পপীয়া তৰা ।

চুলিৰ আগত
চুৎ এটি স্বপ্ন
আন্ধাৰ নিশাৰ ।

## দুটা বিদেশী কবিতা

### কাউৰী

**মূল : চিনকিচি টাকাহাচি**
**অনুবাদ : শুদ্ধসত্ব চৌধুৰী**
তৃতীয় বাৰ্ষিক কলা

আলস্যৰা গতিৰে পাখি মেলি
কাউৰীজনী দূৰলৈ উৰি গ'ল ।
পোৱালিবোৰো এদিন উৰিব
সবল পাখিৰ সোঁ সোঁৱনি তুলি ।

কাউৰীজাকৰ কোনটো মতা
অথবা মাইকী কোনটো,
চিনা টান ; কিন্তু সিহঁতৰ চেনেহ
আৰু সিহঁতৰ জাক সদায় নতুন
সিহঁতৰ উৰণৰ দৰে ।

ৰাতিৰ ট্ৰেইনত নিদ্ৰামগ্ন হৈ
অনুভৱ কৰিলো
মূৰৰ টুপীটো দূৰলৈ উৰি গ'ল ।
কুঁৱলীৰ মাজত হেৰাই গ'ল
কাউৰীজনী ।
ইঞ্জিনটোৱে চিৰাচিৰ কৰি দিলে
সাগৰখন ।

---

জাপানী কবি Shinkichi Takaashi ৰ অনুসৰণত Lucien Stryk এ লিখা 'Crow' কবিতাৰ অনুবাদ।
—London Magazine, March '69

## মই জানো, তাই নিদ্ৰামগ্না

**মূল : ব্ৰিয়ান জ'নচ্**
**অনুবাদ : শুদ্ধসত্ব চৌধুৰী**
তৃতীয় বাৰ্ষিক কলা

মই জানো, তাই নিদ্ৰামগ্না ।
মোৰ ওপৰৰ কোঠাটোত
হঠাতে স্তব্ধ হৈ গ'ল এটা মনৰ বিচৰণ
আৰু শুই পৰিল দুটা শিশু
আদিম দ্ৰুত হৃৎ-স্পন্দন যেন পশুৰ ।
সিহঁতৰ কাপোৰত গছৰ পাতৰ উত্তাপ ।

মই জানো তাই নিদ্ৰামগ্না ।
কাৰণ,
চুইচ টিপি দিয়াৰ দৰে নামি আহিল
দ্ৰুত নিৰৱতা--যি নিৰৱতাই
ভাঙি দিয়া আবেশত মোৰ পূৰ্ণতা ।
লেমটোত লাগি ৰ'ল
পোহৰ আৰু উত্তাপৰ অৱশেষ ।
নিৰ্জনতাই উলঙ্গ কৰা ঘৰটোৰ দৰে
মোৰ আঙুলিবোৰে খখলা-খখলি কৰে
এপিঠি কাগজ ।

এতিয়া মনত পৰে আজিৰ সকলো ছবি ।
কাষৰৰ অসাৰতা, সুদূৰৰ বিৰূপ দৃশ্যপট,
মোৰ পিনে ঘূৰি চোৱা এখনি উদাৰ মুখ ।
মই প্ৰমাণ কৰিব খোজো
জনতাৰ অপমান আৰু প্ৰেমৰ বিশালতা ।

কিন্তু চিয়াঁহীবোৰে চিহ্নিত কৰে
বৰফৰ ওপৰত চৰাইৰ খোজৰ দৰে
তাকৰীয়া আখৰৰ এক নিৰ্জন প্ৰান্তৰ
অস্তিত্বৰ ক্ষণ পৰিচয় ক্ষুধাতুৰ জনতাৰ
মাথোঁ এটা সৰু কোলাহল।

---

* 'London Magazine, March '69' ৰ পৰা

# বয়লাৰ

**ফটিক বৰুৱা**
তৃতীয় বাৰ্ষিক, বিজ্ঞান

বয়লাৰত জ্বলি থকা
অঙঠাৰ দৰে
মোৰ ঘৰত আছে সাতোটা
পেট ।

বেছিকৈ পোৰ খোৱা
আটাৰ ৰুটিৰ দৰে
মোৰ দেহটো বয়লাৰৰ সমুখত
দগ্ধ ;

উফৰি পৰা পোৰা কয়লাৰ দৰে
মোৰ প্ৰতিটো দিন
আৰু
সাতোটা ভৱিষ্যত ;

নাই মাথো
বেলৰ উকিৰ দৰে
আমাৰ জীয়াই থকাৰ
উৎস আৰু লক্ষ্য ।

# বিহু সুৰীয়া গীত

**বিনোদ পাঠক**
প্ৰথম বাৰ্ষিক, বিজ্ঞান

যি বাটে গৈছিলি
অ' মোৰ ৰঙিলি
সেই বাটে দেখো
নাহিলি দুনাই

ক'তে এৰি আহিলি
বাংঢালি মনটো
মুখত তোৰ কিয়
হেঙুলী হাঁহিটি নাই

এইনো ঢল পুৰাতে
কোনে তোৰ হিয়াতে
হিয়া ঢালিবলৈ যায়

মেলি থৈ আহিলি
হিয়াৰে সঁফুৰা
বাটত কাকেনো পাই

কাৰ হাতৰ পৰশে
কাৰ মনৰ মৰমে
আজি তোৰ ৰঙিলী
হিয়া ওপচায় ।



## তিনিটা আলেখ্য ঃ প্ৰকৃতিৰ





ফটো ঃ অধ্যাপক দেৱব্ৰত ঘোষ

# তৰু-লতা

হৰেশ্বৰ বড়ো
প্ৰথম বাৰ্ষিক বিজ্ঞান

"মা জীৱন্তু স্ত্ৰিয়োঽনাথা বৃক্ষেণ চ বিনা লতাঃ।
সাধ্বীনং জগতি প্ৰাণাঃ পতিপ্ৰাণানুগামিনঃ।।"

বসন্তৰ ফলে-ফুলে জাতিকাৰ ধৰণী, বিহগৰ কলধ্বনি সন্ধিয়াৰ আকাশৰ ধ্যান মগ্ন সপ্তৰ্ষি মণ্ডলৰ নীৰৱ আৰতিয়ে প্ৰেমিক মনৰ বীণাত ঝংকাৰ তুলি যায়। সন্ধ্যাৰ হেঙুলীয়া আকাশৰ বিচিত্ৰ ৰহণে পৃথিবীৰ বুকুত বিচিত্ৰ ৰঙৰ বোল সানি দিয়ে। পশ্চিমবপৰা বিৰ বিৰকৈ লয়লাস গতিত বৈ অহা মলয় সমীৰণে দেহ মন জুৰ পেলায়। বংচালী পখিলাই ফুলে ফুলে পৰি ফুলৰ জেউতি চবায়। ফুল আৰু পখিলাৰ যেন মধুৰ চুম্বন। ফুলাম পখিলাই জাকি মাৰি মাৰি উৰি উৰি যেন প্ৰেমৰ বতৰা বিলায়। কলকণ্ঠিকোকিলৰ বিহ্বলীয়া সুৰে ডেকা-ডেকেৰীৰ প্ৰাণত প্ৰেমৰ লহৰ তোলে। নদন বদন শস্যৰে পৰিপূৰ্ণা পুষ্পিতা ধৰণী। যৌৱনৰ পয়োভৰত দল-দোপ হেন্দোলদোপ বসুধা ৰাণী। শ্যামল তৃণে ঢাকিলে ধৰণীৰ বক্ষ। গছে গছে সেউজীয়া পাতে দেখা দিলে। ৰং-বিৰঙৰ নৱপল্লৱে তৰু-তৃণ, গছ-লতাক সুশোভিত কৰিলে। নতুন বসনেৰে সাজি-কাচি যেন নৱাগত প্ৰিয়তমাক আহ্বান জনাবৰ উদ্দেশ্যে বৈ আছে। আউলী-বাউলী হৈ নাচে তৰু-তৃণ-গছ লতাই বাসন্তীৰ মলয় সমীৰণৰ চৌৱে চৌৱে। সকলো যেন আনন্দত আত্মহাৰা। সকলো যেন সপোন বিভোৰ। সকলো যেন নতুন। মাজে মাজে অহা বৰষুণৰ জাকবোৰে ধূলি বালি ধুৱাই চিকুণ কৰি তোলে পৃথিবী। বহাগৰ নতুন পানীৰ পৰশ পাই সেউজীয়া ঘাঁহবোৰে লহপহকৈ বাঢ়ি আহে। গৰুবোৰে দিনৰ দিনটো পথাৰত চৰি ফুৰি গধুলি আনন্দমনে ঘৰলৈ ঘূৰে। সিহঁতেই যেন ঘৰৰ লক্ষ্মী।

সৌ জুৰিটিয়ে পাহাৰৰ বুকু ভেদ কৰি শিলৰ ফাঁকে ফাঁকে থমকি থমকি নাচি নাচি লয়লাস গতিৰে মনৰ আনন্দতে কুলু কুলু ধ্বনি কৰি নামি আহিছে ভৈয়ামলৈ—যাব অজান দূৰলৈ—মিলিব গৈ সিন্ধুৰ বক্ষত। "এখন্তেক ৰোৱা—ৰবৰ সময় নাই; এটি কথা শুনা—শুনিবৰ সময় নাই" নিচিগা ধাৰেৰে বৈ যায় অসীমত বিচাৰি সিন্ধুৰ বক্ষ। নিতৌ ধুৱাই চৰণ দুপাৰৰ তৰুতৃণ গছ লতাৰ। মৰমৰ চুমাৰে যাচে হিয়াৰ মৰম। সুনীল সিন্ধুৰ বক্ষত মিলি দুয়ো হয় একাকাৰ। ৰূপালী উৰ্মিমালাই বোৱাই আনে অতীত বৰ্ত্তমানৰ হেজাৰ হেজাৰ হাঁহি-কান্দোন, অশ্ৰু-বিৰহ-মিলনৰ বতৰা। তাকেই

যেন দুপাবৰ ভূমি প্লাবিত কৰি বিলাই বিলাই যায়। ৰূপালী তৰঙ্গত প্ৰতিধ্বনিত হয় আনে বুজি নোপোৱা অস্ফুট ধ্বনি; গছে গছে পাতে পাতে লাগি শূন্যত বিলীন হয়। ঢৌৰ পিচত ঢৌ তুলি যায়—উঠা আৰু নমা—যেন ডিঙি মেলি মেলি চাই কাৰোবাক মনৰ কথা কোৱাৰ আশাৰে। উদ্দাম আশালৈ নিচিগা ধাৰেৰে একেবাহে বৈ যায় সাগৰ উদ্দেশ্যে। স্বচ্ছ ফটিকৰ দৰে তাৰ জল ৰাশি। পশু-পক্ষী আৰু আজলী হৰিণীবোৰে তাৰে জলপাণ কৰি পলুৱাই প্ৰাণৰ তৃষ্ণা। আনন্দ মনে জাকে জাকে নাচি নাচি আহে আৰু যায়। এই জুৰিটি যেন সিহঁতৰ হেজাৰ যুগৰ চিনাকি। বহু পুৰণি। আজিও সিহঁতৰ চিনাকি। সেই তাহানি দিনৰপৰা আজিলৈ সেই একে দৰে বৈ আছে। সিহঁতক যেন প্ৰাণভৰি মৰম কৰে। উৰাই ঘূৰাই চুমা খায়। সিহঁতেও তাইক মৰম কৰে। কিন্তু কোনোৱে আজিলৈ তাইৰ মনৰ কথা বুজিব নোৱাৰিলে। তাই যেন নীৰৱে চকুলো টোকে। হেজাৰ হুমুনিয়াহ যেন অজানিতে ওলাই আহে। তথাপি আনে কোনোৱে বুজি নেপায় কিহৰ এই হুমুনিয়াহ।

এই আজলী জুৰিটিৰ এটি পাৰত বৈ আছে তৰু; তাৰ প্ৰাণৰ মৰমীক উপেক্ষা কৰি। তাৰ মৰমী বিহীন হিয়াখন যেন হাঁহাকাৰ কৰি উঠে। প্ৰিয়াৰ বিৰহত যেন আজি তাৰ হিয়া ভাঙি চূৰমাৰ হৈ গৈছে। বসন্তৰ পৰশে যেন তাক ব্যাকুল কৰি তুলিছে। প্ৰিয়াক আহ্বান জনায়। কলকণ্ঠী কোকিলৰ কণ্ঠত পঠাই দিছে যেন তাৰ বিৰহৰ বতৰা। "কুউ কুউ" মাতেৰে বিলাইছে যেন তাৰে বতৰা। কিন্তু তাৰ মৰমী যেন আজি বহু দূৰত। বিক্ত আজি তাৰ হৃদয়; সিক্ত ব্যথাই ভাঙি চূৰ মাৰ কৰে তাৰ কোমল হৃদয়। সপোন বিভোৰ মাধৱী নিশা উজাগৰে কটায় ভাবোতে ভাবোতে তাৰ আঁতৰোৰ হেৰাই যায়। দিন যায় ৰাতি আহে, ৰাতিৰ এন্ধাৰ আঁতৰি পোহৰ আহে, পুৱাৰ সূৰুয দুপৰ হয়, আকৌ পশ্চিম আকাশত মাৰ যায়; তথাপি তাৰ ভাবৰ শেষ নাই। তাৰ ভাবৰ আদি নাই, অন্ত নাই। কেতিয়াবা ভাবত বিভোৰ হৈ সকলো পাহৰি যায়। পৰ্ব্বত-পাহাৰ গিৰি-নদী-বন সকলো যেন নিমিষতে পাৰ হয়। অবিৰাম গতিত সি খোজ কাঢ়ি যায়। তাৰ দুখ নাই, ভাগৰ নাই, ভোক নাই, পিয়াহ নাই, তাৰ মনটো কেৱল মৰমীৰ ওচৰলৈ দৌৰি যায়। তাক যেন মৰমীয়ে দূৰৰ পৰাই হাত বাউলী মাতে। দুগুণ উৎসাহেৰে সি আগুৱাই যায়। অলপ দূৰ, অলপ বাট— সেয়া যেন বহু দূৰ, বহুবাট। মৰমীয়ে হাত মেলি দিয়ে, তথাপি যেন সি ধৰিব পৰা নাই। যিমানে আগুৱাই সিমানে যেন আতৰি যায়। হঠাৎ যেন তাৰ মৰমী শিলত পিচল খাই পৰি যায়। তৰুৱে তাৰ মৰমীক আলফুলকৈ দুয়ো হাতে তুলি লয়। মৰম সনা মাতেৰে কয় "প্ৰিয়া আৰু আতৰি নাজাবা। তুমি বিহীনে যে মোৰ বুকু সুদা সুদা সুদা লাগে। তুমিয়ে মোৰ জীৱন মৰণৰ লগৰী। আহা প্ৰিয়া। তুমি মোৰ ওচৰ চাপি আহা।" প্ৰিয়তমৰ পৰশত মৰমী নিশ্চল হৈ যায়। কোলাত মূৰ থৈ মৰমী শুই পৰে। মৰমৰ চুমাৰে তাৰ মৰমীৰ গাল দুখনী চপ চপীয়া কৰি দিয়ে। চকু মুদি দুয়ো শুই পৰে। হঠাৎ তাৰ তন্দ্ৰা ভঙ্গ হ'ল বিহুৱাৰ মাতত। চাৰিওঁ পিনে এবাৰ চালে, এহাল হৰিণা। তাৰ চকুত একো নপৰিল। মনৰ আনন্দতে সিহতে ঘূৰি ঘূৰি ঘাঁহ খাই আছে। সিহঁত যেন চিৰসুখী।

তৰুৰ জন্ম এই বননিতে আৰু তাৰ মৰমীৰ জন্ম ? এৰা, তাইৰো জন্ম এই বননিতে। সেই একেখন বননিতে । সি থাকে ইপাৰে, সিপাৰে থাকে তাৰ মৰমী । মাজতে এটি জুৰি । এটি জুৰিৰ দুটি পাৰ । দুয়ো দুপাৰে থাকে ।

জুৰিৰ আনটি পাৰত থাকে লতা । লতা—তৰুৰ প্ৰাণৰ লতা । তৰু—লতাৰ হৃদয়ৰ দেৱতা । লতাই বিচাৰে তৰুক চিৰ দিনৰ কাৰণে, চিৰ সঙ্গী হিচাবে—আজীৱনৰ কাৰণে ।

লতাৰ গাত ওঠৰটা বসন্তই পৰশ বুলালে। যৌৱনৰ পয়োভৰত যেন থৌকি-বাথৌ উগুল-থুগুল মন । দিনে দিনে যেন তাইৰ ৰং চৰি আহিছে । যৌৱনৰ উতলা মনে তাইক যেন চঞ্চল কৰি তুলিছে । যৌৱনৰ পূৰ্ণ অৱয়বটো যেন তাই ঢাকি ৰাখিব পৰা নাই । বাহিৰ ওলাই আহিব খোজে। মুক্ত ভাবে বিচৰণ কৰিবলৈ বিচাৰে, কিন্তু তাই সংযত হয় । অতি যত্নেৰে যৌৱনৰ পূৰ্ণ সম্ভাৰ সাচি ৰাখিছে তাইৰ প্ৰাণৰ দেৱতাক । তাইৰ দেহ মন তৰুতেই অৰ্পণ কৰিছে । কিন্তু তাইৰ হিয়াভৰা অঞ্জলী লবলৈ তাইৰ প্ৰাণৰ দেৱতা আজি ওচৰত নাই । এয়া যেন তাইৰ কাৰণে বিধাতাৰ নিষ্ঠুৰ উপহাস। আজি তাইৰ বিক্ত হৃদয় । এযুৰি চকুৰ দুধাৰী চকুলো নিতৌ দুগালে বৈ আহে, অবিৰত ভাবে । কাৰো বাধা নামানে । চকুলোৰে প্লাবিত কৰিব যেন ধৰণীৰ বক্ষ । প্ৰাণৰ দেৱতাক বিচাৰি আজি তাই বাউলী । তাইৰ সকলো আনন্দ যেন ম্লান হৈ গৈছে । জুৰিটিৰ পাৰে পাৰে গায় তাইৰ হিয়াভগা বিষাদৰ গান । আজলী হৰিণাই বৈ বৈ শুনে তাইৰ হিয়া ভগা বিষাদৰ তান । কুলি-কেতেকীৰ মুখৰ মাত হৰে । কুলিয়ে নাগায় গীত আম্ৰকাননত। তৰু-তৃণ, গছ-লতা আজি সকলো লতাৰ শোকত ম্ৰিয়মান । এটি গভীৰ পৰিবেশ। তাইৰ দুখতে যেন সকলো দুখিত।

লতাই তৰুক বিচাৰি বয়গৈ জুৰিটিৰ পাৰত—নিশ্চল নিস্তব্ধ হৈ । জুৰিটি ধীৰে ধীৰে বৈ যায় । লতাৰ দুখতে যেন তায়ো দুখিত। লতাই কান্দি কান্দি সকলো মনৰ দুখৰ কথা জুৰিটিক কয় । জুৰিটিয়ে নীৰৱে শুনে । আকুলি ব্যাকুলি কান্দে দুয়ো সখী । আনে বুজি নোপোৱা অস্ফুট ধ্বনিৰে ব্যক্ত কৰে অব্যক্ত বেদনা । জুৰিটিয়ে বোৱাই লৈ যায় সকলো বেদনা । দুয়োপাৰৰ ভূমি প্লাবিত কৰি বিলাই যায় তাৰে বতৰা । কিন্তু কোনেও বুজি নেপায়। আগেও বুজা নাছিল—এতিয়াও নুবুজে।

জুৰিটিৰ পাৰত আউলী-বাউলী চুলি মেলি বিচাৰে তাইৰ প্ৰাণৰ আৰাধ্য দেৱতাক। অযত্নত তাইৰ চুলিবোৰ কেকুৰা-কেকুৰী হ'ল। খোপাৰ বনফুল সৰি লেবেলি শুকাই গল । তিল তিলকৈ তাই শুকাই ক্ষীণাই যাবলৈ ধৰিলে । তাই খাবলৈ পাহৰিলে, শুবলৈ পাহৰিলে, পাহৰিলে তাই লবলৈ দেহৰ যত্ন । কাঞ্চন বৰ্ণদেহে আজি কৃষ্ণকায় ৰূপ ধাৰণ কৰিলে । হাবিয়ে-বননিয়ে তাই ইনাই-বিনাই কান্দে। ৰাতি দিনেয়ে তাই কান্দে । ৰাতি পুৱায়, দুপৰ হয়, পশ্চিম আকাশত বেলি মাৰ যায় ; তথাপি তাইৰ কান্দোনৰ শেষ নাই । অবিৰাম ভাবে বিষাদৰ চকুলো দুগালে বৈ পৰে । বিষাদৰ চকুলোৰে যেন তাই পৃথিবী তিয়াই দিব। তাইৰ যেন আজি অকণো সুখ নাই, শান্তি নাই ; নাই জীয়াই থকাৰ অভিলাষ । শোকত আজি তাই ম্ৰিয়মান। দুখত জৰ্জ্জৰিত হৈ "তৰুহীন লতাৰ অস্তিত্ব নাই" বুলি শোকত চকুলো পেলালে হুমুনিয়াহ কাঢ়ি।

সপোনত বিচাৰে দিঠকত বিচাৰে—বিচাৰে অসীমত তাইৰ হেৰোৱা বুকুৰ মাণিক। সপোনত আহি তাইক মৰমৰ চুমা দি যায়। তাইৰ শুভ্ৰ গাল দুখনি বক্তিম হৈ উঠে। তাই লাজতে কোঁচ মোচ খাই লাজুকীয়া মিচিকিয়া হাঁহি মাৰে। সপোনত প্ৰিয়তমাক পায় আনন্দত অধীৰ হয়। শুভ্ৰ জোনাক নিশা অযুত তৰাই চিকমিককৈ মিচিকিয়া হাঁহিটি মাৰে। নিশাৰ শেৱালি ফুলি অমিয়া সৌৰভ বিলাই নিশাতে লয় হয়, বিলোৱা সৌৰভ মাত্ৰ ৰয়। নিশাৰ সপোন ভাঙি প্ৰিয়তমাক দিঠকত নেপাই শোকত অধীৰ হয়। নিশাৰ সপোনৰ মাদকতা মাত্ৰ ৰয়। সপোনত আহি প্ৰিয়তমাই যেন তাইৰ দেহ মন নিঃশেষ কৰি লৈ গল। তাই পুনৰ বাউলী হৈ বিচাৰে। কিন্তু একোকে নেপায়। তাই ভাবি ভাবি ওৰ নেপায়। নিজকে নিজে তাই অলেখ প্ৰশ্ন কৰে—"কিয় আজি তাইৰ মিলনত প্ৰকৃতিৰ ইমান বাধা ? তাইৰ জানো কোনো দিনে নহৰ মিলন ? পূৰ্ণ জানো নহৰ তাইৰ জীৱন ? তাইৰ মিলনত আজি নিয়তিৰ ইমান শেন দৃষ্টি কিয়" আৰু তাই ভাবিব নোৱাৰে। তাইৰ দেহ মন অৱশ হৈ পৰে।

এদিন লতাই অসীমত বিচাৰি ওলাল তাইৰ প্ৰাণৰ দেৱতাক। জুৰিৰ বুকুত মেলি দিলে তাইৰ সোণৰ নাওঁ। চাৰিওঁ পিনে এবাৰ চাই ললে তাইৰ জন্মভূমিখন। লগে লগে দুগালে বৈ আহিল দুধাৰি চকুলো। শেষ বাৰৰ কাৰণে তাই এবাৰ চাই প্ৰণাম জনালে। লগে লগে গোটেই হাবিখনতে এটি শোকৰ ছাঁ পৰিল। লতাৰ বিদায় বেলাত যেন আজি সকলো শোকত ম্ৰিয়মান। তৰু-তৃণ ; গছ-লতা সকলো নিস্তব্ধ। বনৰ পশু পক্ষী সকলো নিমাত। কুলি কেতেকীয়ে গছৰ ডালত পৰি চকু পানী টুকিছে। আজলী হৰিণীয়ে সজল নয়নে চাই আছে। বনফুলবোৰ এটি এটিকৈ জাপ যাব ধৰিলে। সাপবোৰ দুখ মনে গাতত সোমাই থাকিল।

জুৰিটিৰ সোতে তাইৰ নাওঁখন ধীৰে ধীৰে উটুৱাই নিবলৈ ধৰিলে। নিচিগা ধাৰেৰে বৈ যায় অজান দেশলৈ। বিৰতি নাই, বিশ্ৰাম নাই, দিন নাই ৰাতি নাই— নিচিগা ধাৰেৰে একেবাহে বৈ যায়। লতাই এই পথেৰে কি ঠাই পাব তাক তাই নাজানে। তথাপি গৈ আছে। দুয়ো পাৰে জুমি জুমি চাই কিজানিবা প্ৰিয়তমৰ দৰ্শন পায়। দুপাৰৰ গছ গছনি, পশু পক্ষী সকলোৱে সজল নয়নে লতাৰ পিনে চাই নীৰৱে চকুলো টুকিছে। দিন যায় ৰাতি আহে, আকৌ ৰাতি পুৱায় ; পুৱাৰ সূৰুয দুপৰ হয়, গধূলি পশ্চিম আকাশত মাৰ যায়। তথাপি তাইৰ যাত্ৰাৰ শেষ নাই। পশ্চিম আকাশত জোনটিয়ে খন্তেক দেখা দি আকৌ নোহোৱা হয়। ৰাতিৰ এন্ধাৰে সকলোকে একাকাৰ কৰে। নিৰ্জ্জন এন্ধাৰ ৰাতি ক্ৰমে গভীৰ হয়। নিয়তী ডালত পৰি বিকট মাত মাতি আন্ধাৰ ৰাতি আকৌ গভীৰ কৰি তোলে। গভীৰ ৰাতি প্ৰকৃতিৰ বুকুত সকলো আশ্ৰয় লৈছে। ছাঁয়া মূৰ্ত্তিবোৰে ইফালৰপৰা সিফালে অহা যোৱা কৰিছে, ডাইনী যখিনীবোৰে খিলখিলকৈ হাঁহিছে। প্ৰেতাত্মাবোৰে প্ৰেমিক প্ৰেমিকাক বিচাৰি ফুৰিছে। মাজ ৰাতি এচাতি শীতল মলয় সমীৰণে লতাক নিদ্ৰাদেৱীৰ কোলাত শুৱাই দিলে। লগে লগে লতাই স্বপ্নত বিভোৰ হল—"সুন্দৰ শুভ্ৰ জোনাক নিশা। ৰূপালী পোহৰে গোটেই জগতখন ৰূপালীময় কৰি তুলিছে। গছ-গছনিত ৰূপালী ফল ফুলেৰে ভৰা। 'মোক খা' মোক খা' কৈ বৈ আছে। ৰঙবিৰঙৰ ফুলাম

পখিলাই ৰূপালী ফুলবোৰত পৰি ফুলৰ জেউত চৰাইছে। মাজে মাজে মৌচুমী ভোমোৰাই 'গুণ গুণ' কৈ মধুৰ গুঞ্জন কৰি গোটেই ঠাইখন মুখৰিত কৰি তুলিছে। 'মই কেতেকী মই কেতেকী' বুলি কেতেকী বাইয়ে বিহুনাম গাই গাই মুখৰিত কৰিছে গোটেই পুষ্পবন। দেওধনী দহিকতৰাই দেউ দি দি নাচি নাচি আনন্দত আত্মহাৰা হৈছে। মইনা বাইটিয়ে চুচি মাজি সেওঁতা ফালি ওখ গছে গছে পৰি বিয়া নাম গাই ফুৰিছে। অযুত তৰাৰ মাজত জোনটিয়ে হাঁহিছে, নাচিছে, আনন্দৰ খেলা খেলিছে মেঘৰ আঁৰে আঁৰে। মলয়া বতাহে গোটেই ঠাইখন শীতল কৰি তুলিছে— সুগন্ধী সুবাসেৰে কেতেকী পাহিয়ে দশো দিশে বিলাইছে তাইৰ সুগন্ধী সৌৰভ। গোটেই ঠাইখন যেন গোন্ধত আমোলমোল। ধৰণীৰ বক্ষত প্ৰকৃতিদেৱীয়ে পাৰি দিছে যেন সেউজীয়া নিমজ বিছাৰ চাদৰ। তগৰ, মালতী, চম্পা, যুতি, যাতি, শেৱালি, কৰবীৰ, বকুল, অশোক আদি সুগন্ধী ফুলেৰে গোটেই ঠাইখন সুশোভিত হৈছে। নিমজ সেউজীয়া ঘাঁহনিৰ ওপৰত লাখে লাখে পুষ্প বৃষ্টি হৈছে। বাঙলী মদাৰে ৰক্ত চন্দন সানি গোটেই ঠাইখন বাঙলী কৰি তুলিছে আৰু আনন্দৰ খেলা খেলিছে।

লতায়ো এখোজ দুখোজকৈ আগবাঢ়ি গল। তায়ো বনবালাৰ লগত মিলিত হৈ নাচিবলৈ ধৰিলে। আনন্দ মনে নাচি নাচি বনবালা সৱে এটি এটিকৈ আঁতৰি যাবলৈ ধৰিলে। জোনটি ধীৰে ধীৰে পশ্চিম আকাশত মাৰ গ'ল। লতাই অকলশৰে সেই নিৰ্জন ঠাইতে কিছু সময় থিয় দি ৰ'ল। চাৰিও ফালে এবাৰ ঘূৰি চালে। দেখিলে অলপ দূৰতে তৰু তাইলৈ অপেক্ষা কৰি আছে। তাই দৌৰি দৌৰি গ'ল। তৰুৰ ওচৰ পাই ভৰি দুখন চুই প্ৰণাম জনাই আৰু অভিমানৰ সুৰত কয়—'আপুনি ইমান নিষ্ঠুৰ! আপুনি জানো মোক দুখ দি ভাল পায়? আপুনি জানো নাৰীৰ মনৰ কথা বুজি নেপায়?' তাই আৰু একো কব নোৱাৰে। তাই তৰুৰ কোলাত মুৰটো থৈ উচুপি উচুপি সাৰ পায়।" পূব আকাশত তেতিয়া সূৰ্য্যৰ হিৰণ কিৰণ হাঁহিৰে উদয় হৈছে। চৰাই-চিৰিকতিয়ে আনন্দত কিৰিলি পাৰিছে। তৰুয়ে লতাক বুকুৰ মাজত দুয়ো হাতে আকোৱালি লৈছে। তৰুৰ জীৱনৰ লগৰী লতাক আকোৱালি লৈ এটি কথাও কব পৰা নাই। আজি যেন তাৰ কণ্ঠত বাক দ্বাৰ বন্ধ হৈছে। হেজাৰ বছৰৰ পিচত লতাক পায়ো এটি কথাওঁ কব পৰা নাই। আৰু আন হাতে লতাই একোকে ভাবি পোৱা নাই। সপোন নে দিঠক। লতাই তৰুক আকুল নেত্ৰে চাই আছে। এটি কথাও কব পৰা নাই। অবিৰত ভাবে কেৱল দুধাৰি চকুলো বৈ আহিছে।

মৰমৰ পৰশ বুলাই বুলাই তৰুয়ে লতাক মৰমসনা মাতেৰে সম্ভাষণ জনালে 'লতা!" মোৰ প্ৰাণৰ লতা! তুমি আনন্দ কৰা লতা, তুমি আনন্দ কৰা! চোৱা লতা, আজি জুৰিটিয়ে আনন্দত নাচি নাচি ঢৌৱে ঢৌৱে ঢৌ খেলি সাগৰ উদ্দেশ্যে বৈ গৈছে। আৰু চোৱা! পশু-পক্ষী, চৰাই-চিৰিকতিবোৰে আনন্দত কিদৰে কিৰিলি পাৰিছে। সোৱা চোৱা লতা! আজলী হৰিণী আৰু ময়ুৰ ময়ুৰীয়ে কিদৰে আনন্দত নাচিছে। চোৱা গছবোৰে কিদৰে বতাহত হালি জালি নাচিছে। ডাল ভৰি ভৰি সুগন্ধী ফুল ফুলিছে। আজি আমাৰ মিলনত সকলোৰে আনন্দ। পূৰ্ণ হল আজি আমাৰ মিলন। তুমি বহু কষ্ট পালা লতা। এয়া যে বিধাতাৰ লিখন। তেওঁৰে মায়া

ইন্দ্রজাল । তেওঁৰ ইচ্ছাই ইচ্ছা । ভাগ্যৰ লিখন কোনে খণ্ডন কৰিব লতা ? ইয়াত আমাৰ হাত নাই । আজিৰপৰা তুমি মোৰ প্ৰাণৰ লগৰী । চিৰ সঙ্গী । আজীৱনৰ কাৰণে । মোতে আশ্ৰয় কৰি প্ৰকাশিবা তোমাৰ ৰূপ-যৌৱন । দুয়ো মিলি গাই যাম আমাৰ যুগ্ম জীৱনৰ গান ।"

চকুলো মচি মচি লতাই জনালে কাতৰ মিনিতি—"হে মোৰ হৃদয় দেৱতা । তুমি বিহীনে যে মোৰ জীৱন সুদা । তুমি নহলে যে মোৰ অস্তিত্ব নাই । মই মাটিত পৰি অনাদৰ ভাবে লেবেলি শুকাই যাওঁ । আনৰ গচকত মোৰ দেহ হয় ক্ষত-বিক্ষত । হে মোৰ প্ৰাণৰ দেৱতা । তযু চৰণত দিয়া মোক ঠাই । জীৱনে মৰণে হম মই তোমাৰে আশ্ৰিতা । তোমাতে আশ্ৰয় কৰি পাহৰিম জীৱনৰ দুখ ভাগৰ, হেজাৰ কষ্ট ।"

আনন্দত অধীৰ হৈ দুয়ো দুয়োকে আকোৱালি ললে । তৰুয়ে লতাক বুকুৰ মাজত সাৱতি ললে । আজীৱনৰ কাৰণে—চিৰ সঙ্গী হিচাবে । তৰুক আশ্ৰয় কৰি লতাই লাহে লাহে বগাবলৈ ধৰিলে । ৰংবিৰঙৰ সাজেৰে সুসজ্জিতা হ'ল লতা । লহ পহকৈ বগাবলৈ ধৰিলে । আনন্দত তৰুয়ে মেলে নিতে ন ন ডাল পাত—লতাক আশ্ৰয় দিবলৈ, তাৰ প্ৰাণৰ লতাক, আনন্দতে দুয়ো নাচে হালে-জালে ।



কৃষ্ণ-ৰাম মথুৰাক যাত্ৰ

[ ভাগৱতৰ পৰা ] —বাণেশ্বৰ শৰ্ম্মা




পিবালিত খোজ দিব খুজি ভূত দেখা মানুহৰ দৰে উচপ খাই উঠিল সুশান্ত। সোঁ ভৰিটো পিবালিত আৰু বাওঁ ভৰিটো শেষ চৈপটোত যিভাজে পৰিছিল সেই ভাজেই বৈ গ'ল। এক বোবা চ.ৰনিৰে দৃশ্যটোলৈ চাই পঠিয়ালে তেওঁ। বিস্ময়াভূত হৈ ঠাইতে তলমূৰকৈ কিবা ভাবিলে। এনে এটা দৃশ্যও কেতিয়াবা চাবলগীয়া হব পাৰে বুলি সুশান্তই কোনো দিনেই ভবা নাছিল। অথচ সেই কোনো দিনেই নভবা কথাটোৱেই হ'ল। দেখিলে। সুৰভিৰ হঠাতে এয়া কি হ'ল ? কিহেতু তেওঁৰ এই অদৃশ্যপূৰ্ব্ব অভাৱনীয় ৰূপ ? বহু প্ৰশ্নই খুন্দিয়ালে অধ্যাপক সুশান্ত চৌধুৰীৰ মনত। লব খুজিও কিয় জানো তেওঁ আজি সুৰভিৰ এই কাৰ্য্যক সহজভাবে লব নোৱাৰিলে। তেওঁ আৰু এবাৰ সুৰভিলৈ চালে। সেই একেই নিঃসঙ্কোচ ভাব। অলপ ক্ষুন্ন হ'ল সুশান্ত।'এয়া কি দেখিছো সুৰভি' বুলি কব খুজিও বৈ গ'ল তেওঁ। সুৰভিৰ অজ্ঞাতে ভিতৰ সোমাই যাব খোজোতেই আত্মস্থ হ'ল সুৰভি। বেয়াকৈ অপ্ৰস্তুত হৈ পৰিল তাই। লজ্জিত হ'ল নিজৰ আত্মবিস্মৃত অৱস্থাৰ বাবে। সহজ হবৰ চেষ্টা কৰি কঁপা কঁপামাতেৰে ক'লে—

"আ-পু-নি ! কলেজৰপৰা আজি এ-তিয়াই ? কিবা হাফ্ হলিডে-তলিডে...... তেনেদৰে নিঃসাৰে ভিতৰ সোমাব খুজিছিল যে অলপ গমকো দিব নাপায়নে ?" সুশান্তই গাম্ভীৰ্য্যপূৰ্ণভাবে ঘূৰি চালে। পাপৰি-কোমল ওঁঠ দুপাহি ঈষৎ প্ৰসাৰিত কৰি তিৰোতাসুলভ কায়দাত মৰম লগাকৈ হাঁহি সুৰভিয়ে আবদাৰৰ সুৰত পুনৰ কলে "আপুনি চাগৈ আচৰিতেই হৈছে। চিন্তা নকৰিব। কাপোৰ-কানি সলাই হাত মুখ ধুই লওকগৈ। পানী বাথৰুমতে থোৱা আছে। বৰ ভাগৰি আহিছে চাগৈ। যাওক মই গৈ সকলো কম।" অলপ যেন আশ্বস্ত হ'ল তেনেভাবত পাতলকৈ হাঁহি ধীৰ পদক্ষেপে ভিতৰ সোমাল

**কৰুণা ডেকা**
তৃতীয় বাৰ্ষিক বিজ্ঞান

সুশান্ত। সুৰভিয়ে ক্ষন্তেকপৰ তেওঁ যোৱাৰ ফাললৈ চাই ৰ'ল। বাকী থকা কামখিনিৰ বাবে খৰখেদা কৰোতে ভাবিলে—

তাইক সেইটো অৱস্থাত দেখি সুশান্ত নিশ্চয় খুব আচৰিত হৈ গৈছে। আচৰিত হব লগীয়া কথাও। তেওঁ আচৰিত হবলগীয়া কাম এটাকে আজি তাই কৰিব লগীয়াত পৰিল। কৰিব লগীয়াত পৰিল মানে তাক তাই নিজৰ কৰ্তব্য বুলিয়েই ভাবিলে। তাই অৱশ্যে জানে সাময়িক ভাবে আশ্চৰ্য্য প্ৰকাশ কৰিলেও সুশান্তই তাইক ভুল নুবুজে। সুশান্তক তাই জানে। যুগ্ম জীৱনৰ চাৰিটি বহাগ বেছ ৰস-প্ৰাচুৰ্য্যৰে অতিবাহিত

পৰা নিৰীক্ষণ কৰি সুৰভিয়ে উমান পালে কিবা এটা কথা জানিবলৈ যেন তেওঁ উচপিচাই আছে । তাই হঠাতে প্ৰশ্ন কৰি বহিল "কিবা এটা কথা জানিবলৈ আপোনাৰ ইচ্ছা হৈ থকা নাইনে ?"

মনৰ কথাটোকে কৈ দিয়াত তেওঁ থতমত খোৱাৰ দৰে সুৰভিৰ চকুলৈ চালে আৰু তাৰ পাছত স্বীকৃতি সূচকভাবে হাঁহি লাহে লাহে কলে "এৰা, সুৰভি, মনটো আজি অলপ কৌতূহলী হৈ আছে। তোমাক আজি তেনে এটা অপ্ৰত্যাশিত অৱস্থাত কিয় দেখিলো তাকেই কব নুখুজিছা জানো ?"

সুৰভিয়ে এইবাৰ মৰম লগাকৈ হাঁহি দিলে।

"তাকেই কব খুজিছোঁ। অপ্ৰত্যাশিত যদিও তাকো আজি মোৰ কৰ্ত্তব্য বুলিয়েই ভাবিবলগীয়া হ'ল । এটা খবৰ পালো। দুখজনক খবৰ । বাৰু, কিছুমান বিপদাপন্ন নিৰীহলোকৰ শান্তিবিধান হেতু আপুনি কোনো হত্যাকাণ্ড কৰিবলগীয়া হলে পাৰিবনে আপুনি ?"

মানে ? তুমি কি কবলৈ বিচাৰিছা সুৰভি ? এনে কোনো লোকৰ সেৱাত আত্মনিয়োগ কৰিবলৈ পালে মই ভালেই পাম। কিন্তু হত্যাকাণ্ড ! এটা একো নুবুজাৰ অদ্ভুত চাৱনিৰে তেওঁ সুৰভিলৈ চালে। সুৰভিয়ে পাতলকৈ হাঁহি দিলে। তাৰ পাচত গহীনহৈ কলে--


"স্বামীৰ সৎকাৰ্য্যৰ প্ৰতি উদগোৱাই পত্নীৰ ধৰ্ম্ম। কোনো প্ৰকাৰ অন্যায় অপকৰ্ম্মলৈ উচটোৱা বা তেনে বিষয়ত প্ৰশ্ৰয় দিয়া কোনো স্ত্ৰীৰেই কৰ্ত্তব্য হব নোৱাৰে। মই ভাবো এটা মহৎ কাৰ্য্যৰ বাবে আজি মই আপোনাক আগবঢ়াই দিবলৈ ওলাইছো । মোৰ আজিৰ অপ্ৰত্যাশিত কাৰ্য্যৰ অন্তৰালত ইয়াৰেই পূৰ্ব্ব প্ৰস্তুতিৰ বাহিৰে অইন একো উদ্দেশ্য নাছিল। মই এদিন আপোনাৰ হাতৰ বন্দুক নমাই থৈছিলোঁ । আজি আকৌ তাক আপোনাৰ হাতত তুলি দিবলৈ ওলাইছোঁ।" সুৰভিয়ে কৈ গ'ল—

"কুঁৱৰীতোলাত এটা প্ৰকাণ্ড বাঘে ৰাইজৰ মাজত মহা সন্ত্ৰাসৰ সৃষ্টি কৰিছে। ভীষণ ভাবে উপদ্ৰুত ৰাইজে এই আতঙ্কটোৰপৰা অচিৰে ৰক্ষা পাবলৈ চিকাৰী আহবান কৰিছে। মই ভাবিছোঁ এই ক্ষেত্ৰত আপোনাৰ সেৱাৰো প্ৰয়োজন আছে। আতুৰক সহায় কৰাটো এটা ডাঙৰ ধৰ্ম্ম । অসহায়, নিপীড়িত জনগণৰ সেৱাৰ ইয়ো এটা অপূৰ্ব্ব সুযোগ। মই সকলো ঠিক ঠাক কৰি ৰাখিছোঁ । কাইলৈ ৰাতিপুৱাতে যাত্ৰা শুভ হব :"

গভীৰ উত্তেজনা সহকাৰে কথাখিনি শুনি থাকি এটা সময়ত উৰুলিকৃত হৈ পৰিল সুশান্ত। এনে এটা বিপজ্জনক অথচ সুন্দৰ সুযোগ দিয়া বাবে সুৰভিৰ প্ৰতি প্ৰশংসাত গদ গদ হৈ পৰিল তেওঁ। সুশান্ত দৃঢ় প্ৰতিজ্ঞ হ'ল। এই কাৰ্য্য তেওঁৰ দ্বাৰাই হব লাগিব। জনগণৰ সেৱাৰ এই অপূৰ্ব্ব সুযোগৰ তেওঁ সদ ব্যৱহাৰ কৰিব। বাঘ এটা মৰাটো এটা টান কাম বুলি তেওঁ কোনো দিনেই ভৰা নাই । নাভাবে । এই ক্ষেত্ৰত তেওঁৰ অভিজ্ঞতা পুৰঠ। তেওঁৰ অদ্ভুত চিকাৰ কৌশল আৰু নিপুণ লক্ষ্যৰ কথা কোৱা দ্বিৰুক্তি মাত্ৰ। তেওঁ ব্যস্তভাৱে কৈ উঠিল—

"সুৰভি, এই কথা তুমি মোক আগতেই কোৱা নাছিলা কিয় ? ইস ! এতিয়া চাগৈ বহুত পলম হৈ গ'ল।" উচপিচাই উঠিল সুশান্ত চৌধুৰী ।

সুশান্তৰ উচ্ছ্বাস দেখি এক গভীৰ প্ৰশান্তিত চকু দুটা মুদি দিলে সুৰভিয়ে । ঘৰীৰ কাঁইট দুডালেৰে সময়বোৰ বগাই গৈ থাকিল ।....



"কিয় মিছাতে তাইক খেদিছে বৰুৱা ? তাইৰ বাকস্বাধীনতাকণো দেখিছো নোহোৱা হ'ব এতিয়া৷" দুৱৰাই গুৰুগম্ভীৰ স্বৰেৰে এনেকৈ কৈ ভিতৰৰপৰা ওলাই আহিল আৰু বৰুৱাৰ ওচৰতে থকা খালি চকী খনত বহি পৰিল। বৰুৱা অলপ অপ্ৰস্তুত হ'ল । "পাগল ক'ৰবাৰ" বৰুৱাই বিৰক্তিৰে মুখৰ ভিতৰতে শব্দ দুটা উচ্চাৰণ কৰিলে ।

"কিয় খেদিলে, কওঁকচোন বৰুৱা। তাই আপোনাৰ কি এনে অপকাৰ কৰিলে যে তাইৰ মাত শুনিব নোৱাৰা হ'ল। তাইৰ মাতটো বৰ কৰ্কশ নহয়নে ? শুনিবলৈ ভাল নেলাগে । কিন্তু সিয়েই জানো কাউৰী জনীক খেদাই পঠোৱাৰ একমাত্ৰ কাৰণ ? আপুনি সেই শালিকাজনীকো খেদিব পাৰিলেহেঁতেন ! তাইৰ মাততটো এনে এক নিঠা সুৰ নাই যাৰ বাবে তাইৰ মাত শুনি থাকিলেও আমনি নেলাগে ।

ভুল, বৰুৱা। আপোনাৰ, মোৰ, সমগ্ৰ মানৱ জাতিৰে ভুল । উপৰিপুৰুষসকলে চলাই থৈ যোৱা কিছুমান অৰ্থহীন ধাৰণাক আমি বিনাচিন্তাই গ্ৰহণ কৰি সেই ভুল কৰি আহিছো। কোনো মানুহেই কাউৰীক দেখিব নোৱাৰে। কিয় দেখিব নোৱাৰে তাৰ প্ৰকৃত কাৰণো কোনেও কব নোৱাৰে।"

অকল আজিয়েই নহয়, প্ৰতিটো কথাতে, দুৱৰাই এনে ধৰণে মন্তব্য কৰে। আৰু এনে ধৰণৰ মন্তব্যবোৰ সদায় শুনিবলগীয়া হয় মৃণাল বৰুৱাই,—শুনি অপ্ৰস্তুত হব লগীয়াও হয় । এনে ধৰণৰ বক্তব্যবোৰ মৃণাল বৰুৱাই নীৰৱে শুনি যায় আৰু কেতিয়াবা বৰ বিৰক্ত হৈও উঠে।

চহৰৰ একাষে নৈৰ পাৰৰ পাহাৰটোৰ ওপৰত থকা এটা সৰু টিনৰ ভাৰাঘৰত দুৱৰা আৰু বৰুৱাই বহুত বছৰ একেলগে আছে । স্থানীয় বেচৰকাৰী কলেজ এখনৰ ইতিহাসৰ অধ্যাপক মৃণাল বৰুৱা । আৰু অমৃত দুৱৰা ? অমৃত দুৱৰা কি, দুৱৰা কোন কোনেও সঠিককৈ কব নোৱাৰে। দুৱৰা স্কলাৰ, দুৱৰা ফিলচফাৰ, দুৱৰা কবি, দুৱৰা সাহিত্যিক । কিছুমানে দুৱৰাক বলিয়া বুলিও কব খোজে। ঠিক বলিয়া নহয়, মস্তিকৰ বিকাৰ থকা এজন ভাল মানুহ ।

দিনটোৰ ভাগৰ পলুৱাবলৈকে কলেজৰপৰা আহি বাৰান্দাত থকা চকীখনত বকুৱাই নিজৰ ভাগকুৱা দেহাটো পেলাই দিয়ে । এইখিনি সময়ত বকুৱাই নিস্তব্ধতা বিচাৰে । গোটেই পৃথিবীখন নিশাৰ দৰে নিঃসাৰ হৈ যোৱাটো বিচাৰে । বকুৱাই বিচৰাৰ দৰে কোনো দিনে পৃথিবীখন নিস্তব্ধ হৈ যোৱা নাই । নিবিবিলি ঠাইখনৰ এই নীৰৱ মুহূৰ্ত্তবোৰ দুৱৰাৰ বক্তৃতাৰে বৰ বিবক্তিপূৰ্ণ হৈ উঠে। ভাগকুৱা বকুৱাৰ ওচৰতে বহি দুৱৰাই আৰম্ভ কৰে বিভিন্ন ধৰণৰ কথা—ফিলচফিৰ কথা, সাহিত্যৰ কথা, প্ৰকৃতিৰ কথা, মানুহৰ জীৱনৰ কথা ; ৰসপূৰ্ণ-ৰসহীন আৰু বহুত কথা । আৰু এনেধৰণৰ বক্তৃতাবোৰ যেতিয়া একেবাহে শুনি থাকিব লগাত পৰে তেতিয়া বকুৱা অতিষ্ঠ হৈ উঠে। দুৱৰাৰ ওচৰৰপৰা অলপ আঁতৰি থকাৰ আৱশ্যকতা অনুভৱ কৰে ।

ফাগুনমহীয়া দেওবাৰ। দুপৰীয়া। দুয়োজন বাৰান্দাত বহি আছে । ফাগুনী বতাহজাকে দুয়োজনকে মাজে মাজে কোবাই গৈছে। দুয়ো নিৰ্ব্বিকাৰ। বকুৱাৰ দৃষ্টি দূৰত—ফাগুনী বতাহে উকুৱাই নিয়া নৈ পাৰৰ বালিয়ে নৈৰ বুকুখন ধুৱলী-কুঁৱলী কৰি পেলাইছে । আনফালে দুৱৰাৰ চকু সমুখৰ নিমগছজোপাত । এহাল কাউৰীয়ে নিম গছৰ ডালত বহি নুবুজা ভাষাৰে যেন বহুত কথা কৈছে। ইটিয়ে সিটিক মৰম যাচিছে। হিয়াৰ মৰম। নুবুজা ভাষাৰে। ঠোঁটেৰে। দুৱৰাই মিচিকিয়াই হাঁহিলে। সৰু সৰু ঘনচিৰিকা কেইটামানে নিমজোপাৰ ডালে ডালে জপিয়াই ফুৰিছে। মাজে মাজে উৰি গৈ ওচৰতে থকা আমজোপাৰ পাতৰ মাজত অদৃশ্য হৈ পৰিছে।

"আমজোপাই মলিয়ালেই"........দুৱৰাই নিজকে কোৱাৰ দৰে কলে। বকুৱাইয়ো আমজোপালৈ চালে। দুৱৰাই আকৌ কাউৰীহাললৈ চালে—সিহঁতে যেন ইটিয়ে সিটিক মৰম যাচি শেষ কৰিব পৰা নাই । অলপ পিচতে কাউৰীহাল উৰি আহি মাটিত পৰিল আৰু দুডাল কূটা লৈ আমজোপালৈ উৰি গ'ল ।

"বকুৱা"—দুৱৰাই ফাগুনমহীয়া দুপৰীয়াটিৰ নিস্তব্ধতাকণ সেই কাউৰীহালে ভাঙি পেলালে । —"মৰিলেনে ? কূটা কঢ়িয়াইছে। সিহঁত হালে বাঁহ সাজিব। কিমান পৰিশ্ৰম হব সিহঁতৰ । এডাল এডালকৈ কূটা কঢ়িয়াই সিহঁতে এটা বাঁহ সাজিব। সিহঁতৰ নিজৰ কাৰণে নহয়। সিহঁত হালৰ মৰমক স্বীকৃতি দিবলৈ, আশাক জীয়াই তুলিবলৈ সিহঁতে এটা বাঁহ সাজিব । তাত সিহঁতে সিহঁতৰ কণ কণ পোৱালীকেইটিক নতুনকৈ গঢ় দিবলৈ চেষ্টা কৰিব । আৰু সেই কণ কণ পোৱালীকেইটিয়েও সিহঁতৰ জন্মগত, জাতিগত অভিশাপকে শিৰত লৈ ডাঙৰ হব। সিহঁতৰ মাক দেউতাকে সিহঁতক শিকাব মানুহৰপৰা আঁতৰি থাকিবলৈ । বাতিপুৱাই বহুদূৰলৈ উৰি যাবলৈ—মানুহ নথকা ঠাইলৈ। সিহঁতেও সেই কথামতে মানুহৰপৰা পলাই ফুৰিবলৈ চেষ্টা কৰিব । কাৰণ সিহঁতে জানিব যে আপোনাৰ দৰে সিহঁতক দূৰতে বিদূৰ কৰিবলৈ এই পৃথিবীত আৰু বহুত মানুহ আছে ।"

বকুৱাই হয়তো কিবা এটা কব খুজিছিল কিন্তু তাৰ আগতে দুৱৰাই পুনৰ আৰম্ভ কৰিলে—"লাজ লাগে বুজিছে বকুৱা । মানুহৰ বিশ্বাস, কাউৰীৰ মাত হেনো কোনো এক অমঙ্গলৰ আগজাননী। ভালহে। বসন্তৰ আগতে কুলিয়ে জাননী দি যোৱাৰ দৰে কাউৰীয়েও অমঙ্গলৰ জাননী দিছে। কিন্তু কাউৰীয়েতো অমঙ্গল মাতি নানে। কাউৰীয়ে নেমাতিলেও হবলগীয়া অমঙ্গল নোহোৱাকৈ থাকিবনে ? জীৱৰ ভিতৰত মানুহ শ্ৰেষ্ঠ, জ্ঞানী —কথাষাৰ মানিবলৈ দ্বিধাবোধ নহয়নে বাৰু ? আমি মানুহবোৰে নিজকে এই কাউৰী জাতিতকৈয়ো নিকৃষ্ট বুলি প্ৰমাণ কৰা নাইনে ?"

"অথচ সিহঁতৰ একো নোহোৱাও নহয়। সিহঁতৰ বুদ্ধি আছে, শক্তি আছে, কাউৰী নিৰীহ, ভদ্ৰ । কাউৰীৰ একতাই পৃথিবীক চমক খুৱাইছে। তথাপি সিহঁত ঘৃননীয় কিয়? তাৰ উত্তৰ নাই।"

দুৱৰাই এইবাৰ হো হো কৈ হাঁহি দিলে। "আচলতে কি--জানে বকুৱা, অহঙ্কাৰ । অহঙ্কাৰে জাতিটোক এদিন ধ্বংস কৰি পেলাব। সিহঁত নিৰীহ, সিহঁত বুদ্ধিমান—তাকে লৈ সিহঁতে অহঙ্কাৰ কৰে । যি জাতিয়ে নিজৰ নিজত্বক জীয়াই ৰাখিব নোৱাৰে, যি জাতিয়ে নিজৰ অস্তিত্বক নিজেই ধ্বংসৰ মুখলৈ লৈ যায়, তাৰ বুদ্ধি, তাৰ অহঙ্কাৰ সকলো অৰ্থহীন নহয়নে ?" দুৱৰাৰ চকু তেতিয়া দূৰৈৰ টিলাটোত থকা পাত নোহোৱা কৃষ্ণচুড়া জোপাত নিমগ্ন। বকুৱাইয়ো সেই